# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date : 26**-04-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN
## HEADLINES
**::::::::::::::::::::::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব।

২। পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান তুংগত উঠিছে।

৩। চৰকাৰে সমগ্ৰ দেশত পেট্ৰ'লিয়ামজাত পদাৰ্থ আৰু ৰন্ধন গেছৰ নিৰন্তৰ উপলভ্যতা সুনিশ্চিত কৰাৰ বাবে ভালেমান পদক্ষেপ লৈছে।

৪। চৰকাৰে নীতি আয়োগ পুনৰ গঠন কৰিছে। অৰ্থনীতিবিদ অশোক কুমাৰ লাহিৰীক আয়োগৰ উপাধ্যক্ষ হিচাপে নিয়োগ কৰা হৈছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা ছানৰাইজাৰ্ছ হায়দৰাবাদে ৰাজস্থান ৰয়েলছক পাঁচ উইকেটত পৰাস্ত কৰে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩৩ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেৱছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউৱ চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০

পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান তুংগত উঠিছে। ঘাই ঘাই ৰাজনৈতিক দলৰ নেতাসকলে ভোটদাতাসকলৰ মন জয় কৰাৰ উদ্দেশ্যে ৰাজ্যখনৰ ইমূৰৰ পৰা সিমূৰলৈ প্ৰচাৰ চলোৱাত ব্যস্ত হৈ পৰিছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দলীয় প্ৰাৰ্থীৰ সমৰ্থনত কেইবাখনো প্ৰচাৰ সভাত ভাগ লোৱাৰ কথা।

বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহে কালি পূব বৰ্ধমানৰ জামালপুৰত এখন নিৰ্বাচনী সভাত অংশ লৈ তেওঁৰ দল ক্ষমতালৈ আহিলে ৰাজ্যখনত উমৈহতীয়া দেৱানী বিধি আৰু সপ্তম দৰমহা আয়োগৰ পৰামৰ্শ ৰূপায়ণ কৰা হ'ব বুলি প্ৰতিশ্ৰুতি প্ৰদান কৰে। তেওঁ লগতে মহিলাৰ বাবে বিনামূলীয়া বাছ সেৱাৰো আশ্বাস দিয়ে।

দলৰ জ্যেষ্ঠ নেতা ৰাজনাথ সিঙে হুগলিৰ গোঘাট আৰু আৰামবাগত নিৰ্বাচনী সভাত ভাষণ দিয়ে। শ্ৰী সিঙে মহিলাক তিনি হাজাৰ টকাকৈ সাহায্য প্ৰদান আৰু খালী হৈ থকা চৰকাৰী পদসমূহ পূৰণ কৰা হ'ব বুলি মন্তব্য কৰে।

বিজেপিৰ জ্যেষ্ঠ নেতা জে পি নাড্ডা, নীতিন নবীন আৰু উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথেও কালি বৰ্ধমান আৰু উত্তৰ চৌবিবশ পৰগনা জিলাৰ বিভিন্ন স্থানত দলৰ হৈ প্ৰচাৰ চলায়। অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আৰামবাগত এটা ৰোড শ্ব'ত ভাগ লয়।

ইপিনে তৃণমূল কংগ্ৰেছৰ জ্যেষ্ঠ নেত্ৰী মমতা বেনাৰ্জী কালি উত্তৰপাৰাত এখন নিৰ্বাচনী সভাত ভাষণ দিয়ে। তেওঁ কয়, যে দলৰ আইনী যুঁজৰ বাবে ৩২ লাখ লোকৰ নাম ভোটাৰ তালিকাত পুনৰ অন্তৰ্ভুক্ত হৈছে বুলি দাবী কৰে। পাছত তেওঁ বীৰাটিত এটা ৰোড শ্ব'ত আৰু ভৱানীপুৰত পদযাত্ৰা কাৰ্যসূচীত অংশ লয়। তৃণমূল কংগ্ৰেছৰ নেতা অভিষেক বেনাৰ্জীয়ে কালি বছিৰহাটত এখন নিৰ্বাচনী সভাত ভাগ লৈ কেন্দ্ৰীয় চৰকাৰে ৰাজ্যখনৰ উন্নয়ন পুঁজি বন্ধ কৰি ৰখা বুলি অভিযোগ তোলে।

কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়েও কালি শ্ৰীৰামপুৰ, মেটিয়াব্ৰুজ আৰু শ্বহীদ মিনাৰত প্ৰচাৰ অভিযানত ভাগ লয়। প্ৰচাৰ কালত কংগ্ৰেছ নেতাগৰাকীয়ে নৰেন্দ্ৰ মোদী আৰু মমতা বেনাৰ্জী উভয়কে তীব্ৰ সমালোচনা কৰে।

০০০০

পশ্চিমবংগত প্ৰথম পৰ্যায়ৰ বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণৰ সমীক্ষাৰ অন্তত ভোটদানৰ হাৰ আৰু বৃদ্ধি পাইছে। ৰাজ্যখনত প্ৰথম পৰ্যায়ত ভোটদানৰ হাৰ ৯৩ দশমিক ১-৯ শতাংশ হৈছে। নিৰ্বাচন আয়োগে এই হাৰ দেশে স্বাধীনতা লাভ কৰাৰ পিছৰে পৰা সৰ্বাধিক বুলি প্ৰকাশ কৰিছে। জিলা ভিত্তিত কোচ বিহাৰত সৰ্বাধিক ৯৬ দশমিক ২ শতাংশ আৰু কালিংপঙত ন্যূনতম ৮৩ দশমিক ০-৪ শতাংশ ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিছে। প্ৰশাসনিক মহলে প্ৰথম পৰ্যায়ৰ অভিলেখ ভোটদানক অকল পাৰিসাংখ্যিক সফলতাই নহয়, বৰং পশ্চিমবংগৰ জনসাধাৰণৰ গণতান্ত্ৰিক প্ৰক্ৰিয়াত অংশগ্ৰহণৰ নতুন নিদৰ্শন বুলি অভিহিত কৰিছে।

০০০০

চৰকাৰে সমগ্ৰ দেশত পেট্ৰ'লিয়ামজাত পদাৰ্থ আৰু ৰন্ধন গেছৰ নিৰন্তৰ উপলভ্যতা সুনিশ্চিত কৰাৰ বাবে ভালেমান পদক্ষেপ লৈছে। পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে ঘৰুৱা কামত ব্যৱহাৰ কৰা ৰন্ধন গেছৰ যোগানত অগ্ৰাধিকাৰ দিয়া হৈছে আৰু কোনো বিতৰণ কেন্দ্ৰত যোগান ব্যাহত হোৱাৰ বাতৰি পোৱা হোৱা নাই। সমগ্ৰ দেশত অনলাইন যোগে ৰন্ধন গেছৰ চিলিণ্ডাৰৰ বুকিং প্ৰায় ৯৯ শতাংশলৈ আৰু অ' টি পিৰ জৰিয়তে প্ৰদান কৰা চিলিণ্ডাৰ সংখ্যা ৯৪ দশমিক ৫ শতাংশলৈ বৃদ্ধি পাইছে। যোৱা মাৰ্চৰ পৰা পাঁচ লাখ ৩৬ হাজাৰৰো অধিক পি এন জি সংযোগ প্ৰদান কৰা হৈছে আৰু অতিৰিক্ত দুই লাখ ৬১ হাজাৰ সংযোগ প্ৰদানৰ বাবে আন্তঃগাঁথনিৰ সৃষ্টি কৰা হৈছে। ইয়াৰ ফলত মুঠ পি এন জি সংযোগৰ সংখ্যা সাত লাখ ৯৭ হাজাৰলৈ বৃদ্ধি পাইছে। ইয়াৰ উপৰি প্ৰায় ছয় লাখ গ্ৰাহকে নতুন পি এন জি সংযোগৰ বাবে নাম পঞ্জীয়ন কৰিছে। কালি পৰ্যন্ত ৪২ হাজাৰৰো অধিক পি এন জি উপভোক্তাই ৰন্ধন গেছৰ সংযোগ ঘূৰাই দিছে। সকলো শোধনাগাৰে পৰ্যাপ্ত খাৰুৱা তেল ভাণ্ডাৰৰ সৈতে উচ্চ উৎপাদন ক্ষমতাৰে কাম কৰি আছে। দেশত পেট্ৰ'ল আৰু ডিজেল পৰ্যাপ্ত মাত্ৰাত মজুত আছে। দেশৰ বিভিন্ন স্থানৰ খুচুৰা বিপণীসমূহেও স্বাভাৱিকভাৱে কাম কৰি আছে।

ইপিনে বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰালয়ে উপসাগৰীয় অঞ্চলত থকা ভাৰতীয় নাবিকসকল নিৰাপদে আছে আৰু যোৱা ২৪ ঘণ্টাত ভাৰতীয় ধ্বজাবহনকাৰী জাহাজৰ সৈতে কোনো অপ্ৰীতিকৰ ঘটনা সংঘটিত

হোৱাৰ বাতৰি পোৱা হোৱা নাই বুলি প্ৰকাশ কৰিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে উপসাগৰীয় অঞ্চল আৰু পশ্চিম এছিয়াৰ ঘটনাক্ৰম নিৰীক্ষণ কৰি আছে আৰু অঞ্চলটোত বাস কৰা ভাৰতীয় নাগৰিকসকলৰ নিৰাপত্তা, সুৰক্ষা আৰু কল্যাণ সুনিশ্চিত কৰাত বিশেষ গুৰুত্ব আৰোপ কৰিছে। যোৱা ২৮ ফেব্ৰুৱাৰীৰ পাছৰে পৰা অঞ্চলটোৰ পৰা প্ৰায় ১২ লাখ ৬৫ হাজাৰ লোক উভতি আহিছে। ইৰানৰ আকাশী পথ মালবাহী আৰু ছাৰ্টাৰ্ড বিমানৰ বাবে আংশিকভাৱে খোলা আছে। ভাৰতীয় নাগৰিকসকলক ইৰান ভ্ৰমণ এৰাই চলিবলৈ আৰু ইতিমধ্যে দেশখনত থকাসকলক দূতাবাসৰ সহায়ত স্থলপথেৰে ঘূৰি আহিবলৈ আহ্বান জনোৱা হৈছে। তেহৰানত থকা ভাৰতীয় দূতবাসে এতিয়ালৈকে দুহেজাৰ ৪৪৩ গৰাকী ভাৰতীয় নাগৰিকক ইৰানৰ পৰা স্থলপথেৰে নিৰাপদে ওলাই অহাত সহায় কৰিছে।

০০০০

চৰকাৰে নীতি আয়োগ পুনৰ গঠন কৰিছে। অৰ্থনীতিবিদ অশোক কুমাৰ লাহিৰীক আয়োগৰ উপাধ্যক্ষ হিচাপে নিয়োগ কৰা হৈছে। তেওঁ বৰ্তমানৰ উপাধ্যক্ষ সুমন কে বেৰীৰ স্থলাভিষিক্ত হ'ব। চৰকাৰে শ্ৰী লাহিৰীৰ লগতে ৰাজীৱ গৌবা, প্ৰফেছৰ কে ভি ৰাজু, প্ৰফেছৰ গোবৰ্ধন দাস, ড০ এম শ্ৰীনিবাস আৰু প্ৰফেছৰ অভয় কৰান্দিকাৰক নীতি আয়োগৰ পূৰ্ণকালীন সদস্য হিচাপে নিযুক্তি দিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি সামাজিক মাধ্যমযোগে কয়, যে নীতি আয়োগ দেশৰ নীতি প্ৰণয়ৰ পৰিকাঠামোৰ গুৰুত্বপূৰ্ণ স্তম্ভৰূপে পৰিগণিত হৈছে। ইয়াৰ জৰিয়তে সহযোগিতামূলক যুক্তৰাষ্ট্ৰবাদ শক্তিশালী হৈছে, সংস্কাৰ ব্যৱস্থাই গতি লাভ কৰিছে আৰু জীৱন ধাৰণ সুচল হৈ পৰিছে বুলি শ্ৰী মোদীয়ে মন্তব্য কৰে। প্ৰধানমন্ত্ৰীয়ে কয়, যে নীতি আয়োগে বিভিন্ন ক্ষেত্ৰত উদ্ভাৱন আৰু দীৰ্ঘকালীন কৌশলগত চিন্তাধাৰাৰ প্ৰগতিশীল মঞ্চৰূপে হিচাপে কাম কৰি আহিছে।

নীতি আয়োগৰ নতুন উপাধ্যক্ষ অশোক কুমাৰ লাহিৰীয়ে কালি নতুন দিল্লীত প্ৰধানমন্ত্ৰীক সাক্ষাৎ কৰে। বৈঠকত শ্ৰী মোদীয়ে লাহিৰীক উপাধ্যক্ষ হিচাপে নিযুক্তিৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে। প্ৰধানমন্ত্ৰীয়ে কয়, যে অৰ্থনীতি আৰু ৰাজহুৱা নীতিৰ ক্ষেত্ৰত শ্ৰী লাহিৰীৰ চহকী অভিজ্ঞতাই দেশৰ সংস্কাৰ আৰু বিকশিত ভাৰতমুখী যাত্ৰাক শক্তিশালী কৰিব। শ্ৰী মোদীয়ে লগতে অৰ্থনীতিবিদগৰাকীৰ প্ৰচেষ্টাই দেশত নীতি প্ৰণয়ন প্ৰক্ৰিয়াত নতুন গতি প্ৰদান কৰিব বুলি আস্থা প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীয়ে লগতে নীতি আয়োগৰ নৱ নিযুক্ত পূৰ্ণকালীন সদস্যসকলকো শুভেচ্ছা জ্ঞাপন কৰে।

০০০০

চৰকাৰে নগৰীয়া প্ৰত্যাহ্বান পুঁজিৰ অধীনত মহানগৰসমূহৰ উন্নয়নৰ অৰ্থে পৰৱৰ্তী চাৰি বছৰৰ বাবে এক লাখ কোটি টকা খৰচ কৰিব। নতুন দিল্লীত কালি অনুষ্ঠিত ৫৬ সংখ্যক গৃহ নিৰ্মাণ আৰু নগৰ উন্নয়ন নিগম লিমিটেডৰ অনুষ্ঠানত অংশগ্ৰহণ কৰি  কেন্দ্ৰীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী মনোহৰ লালে এইদৰে কয়। মন্ত্ৰীগৰাকীয়ে লগতে কয়, যে ৰাজ্য চৰকাৰে এই বিষয়ত আৰু এক লাখ কোটি টকা খৰচ কৰিব। মন্ত্ৰীগৰাকীয়ে লগতে কয়, যে নগৰীয়া প্ৰত্যাহ্বান পুঁজিৰ অধীনত শেহতীয়াকৈ এক লাখ কোটি টকা কেন্দ্ৰীয় সাহায্যত অনুমোদন দিয়া হৈছে।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা জয়পুৰৰ ছাৱাই মানসিং ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদে ৰাজস্থান ৰয়েলছক পাঁচ উইকেটত পৰাস্ত কৰে। প্ৰথমে বেটিং কৰি ৰাজস্থান ৰয়েলছে নিৰ্ধাৰিত ২০ অভাৰত ৬ উইকেটৰ বিনিময়ত ২২৮ ৰান সংগ্ৰহ কৰে। ৰাজস্থান ৰয়েলছৰ হৈ বৈভৱ সূৰ্যবংশীয়ে ৩৭ টা বলত ১০৩ ৰান সংগ্ৰহ কৰে। ৰাজস্থান ৰয়েলছে  ছানৰাইজাৰ্ছ হায়দৰাবাদক জয়ৰ বাবে ২২৯ ৰানৰ লক্ষ্য নিৰ্ধাৰণ

কৰি দিয়ে। প্ৰত্যুত্তৰত ছানৰাইজাৰ্ছ হায়দৰাবাদে ১৮ অভাৰ তিনিটা বলত নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। ছানৰাইজাৰ্ছ হায়দৰাবাদৰ হৈ ঈষান কিষানে ৩১ টা বলত ৭৪ ৰান আৰু অভিষেক শৰ্মাই ৫৭ ৰানৰ বৰঙণি আগবঢ়াই।

দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত পাঞ্জাৱ কিংছে দেলহী কেপিটেলছক ছয় উইকেটত পৰাস্ত কৰে। দেলহী কেপিটেলছে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ২ টা উইকেট হেৰুৱাই ২৬৪ ৰান সংগ্ৰহ কৰে। দিল্লীৰ হৈ কে এল ৰাহুলে ৬৭ টা বলত ১৫২ ৰান কৰি আউট নোহোৱাকৈ থাকে। নীতিশ ৰানাই ৯১ ৰানৰ বৰঙণি আগবঢ়ায়। প্ৰত্যুত্তৰত পাঞ্জাব কিংছে ১৮ অভাৰ ৫ টা বলত নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়।

প্ৰতিযোগিতাত আজি দুখনকৈ খেল অনুষ্ঠিত হ'ব। প্ৰথমখন খেল চেন্নাইৰ এম এ চিডাম্বৰম ষ্টেডিয়ামত চেন্নাই ছুপাৰ কিংছ আৰু গুজৰাট টাইটনছ অৱতীৰ্ণ হ'ব। দ্বিতীয়খন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্ট কলকাতা নাইট ৰাইডাৰ্ছৰ মুখামুখি হ'ব। খেলখন লক্ষ্ণৌনৰ একনা ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

০০০০

ঃঃ সমাপ্ত ঃঃ